# অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
## ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০

Noonmati, Guwahati-781020

Ph. : 0361-2654229 (Office), e-mail : assamjatiyabidyalay@gmail.com, website : www.assamjatiyabidyalay.com


# অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ প্ৰতিনিধিমূলক সভা

**গুৱাহাটী, ২৯ এপ্ৰিল, ২০১৯ :** আমবাৰীস্থিত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত ২৮ এপ্ৰিল তাৰিখে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ প্ৰতিনিধিমূলক সভা অনুষ্ঠিত কৰা হয়। পুৱা ১০ বজাৰ লগে লগে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ অধ্যক্ষ শ্ৰীৰঞ্জিত নাৰায়ণ ডেকাই অসম জাতীয় বিদ্যালয়ৰ পতাকা উত্তোলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। অজাবি শিক্ষা সংসদৰ সমন্বয়ক অসীম কৃষ্ণ বৰুৱাই অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সকলো প্ৰতিনিধিকে আনুষ্ঠানিকভাৱে আদৰণি জনোৱাৰ লগতে অসম জাতীয় বিদ্যালয় আৰু জাতীয় বিদ্যালয় সত্তাৰ ৰূপালী জয়ন্তী উদ্‌যাপনত সহযোগিতাৰ বাবে ৰাজ্যৰ জাতীয় বিদ্যালয় জিলা সমন্বয়ৰক্ষী সমিতিসমূহৰ প্ৰতি কৃতজ্ঞতাসূচক বক্তব্য প্ৰদান কৰে। প্ৰতিনিধিমূলক সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অসম জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। ৰাজ্যখনৰ ৩২৮খন জাতীয় বিদ্যালয়ৰ প্ৰায় ৬০০ গৰাকী প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা এই সভাত অসম জাতীয় বিদ্যালয়ৰ উপাধ্যক্ষ ৰবীন্দ্ৰ বৰ্মনে অজাবি শিক্ষা সংসদৰ শৈক্ষিক আৰু সাংগঠনিক কাৰ্যব্যৱস্থাৰ নতুন পৰিকল্পনা সন্দৰ্ভত এক বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত অসম জাতীয় বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী নিৰ্মালী অধিকাৰীয়ে অসম জাতীয় বিদ্যালয়ৰ প্ৰাক্-বিদ্যালয় শিক্ষা সম্পৰ্কে এক মনোগ্ৰাহী বক্তৃতা প্ৰদান কৰে। সভাত উপস্থিত থকা অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ প্ৰতিনিধিসকলেও নিজ নিজ জিলাৰ জাতীয় বিদ্যালয়সমূহৰ শৈক্ষিক আৰু সাংগঠনিক কাৰ্যপন্থা সন্দৰ্ভত বক্তব্য দাঙি ধৰে। অজাবি শিক্ষা সংদৰ অধীনত অনুষ্ঠিত হ'বলগা ২০১৯ বৰ্ষৰ শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী সন্দৰ্ভত প্ৰশিক্ষণৰ সমন্বয়ক অপৰাজিতা দত্তই কিছু কথা অৱগত কৰে। সভাত অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সচিব ড° নাৰায়ণ শৰ্মাই ভাষণ প্ৰদান কৰি কয় যে, মাতৃভাষা মাধ্যমৰ বিদ্যালয়সমূহে সততে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ নেওচি আগুৱাই যোৱাৰ ক্ষেত্ৰত মূল পাথেয় হ'ব জাতীয় বিদ্যালয়সমূহৰ সুষম নীতি আৰু আদৰ্শ। নীতিগত দৃঢ়তা আৰু বাস্তৱসন্মত কাৰ্যপদ্ধতিৰ মাজেৰে সমগ্ৰ জাতীয় বিদ্যালয় সত্তাক হাতে-হাত ধৰি অগ্ৰসৰ হ'বলৈ তেওঁ আহ্বান জনায়। প্ৰতিনিধিমূলক সভাখনৰ সভাপতিত্ব কৰে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ অধ্যক্ষ শ্ৰীৰঞ্জিত নাৰায়ণ ডেকাই। সভাত উপস্থিত থকা প্ৰতিগৰাকী ব্যক্তিকে কৃতজ্ঞতা জনাই শলাগৰ শৰাই আগবঢ়ায় অসম জাতীয় বিদ্যালয়ৰ উপাধ্যক্ষা অপৰাজিতা বৰাই। সদৌ শেষত জাতীয় সংগীত পৰিৱেশনেৰে সভাৰ কাৰ্যসূচীৰ অন্ত পেলোৱা হয়।

(ঘনশ্যাম মেধি)<br>
অসম জাতীয় বিদ্যালয়<br>
নুনমাটি, গুৱাহাটী-৭৮১০২০<br>
ফ'ন : ৯৭০৬০২৫১৬৭